# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-09-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ছেপ্তেম্বৰত নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ আগমণৰ পূৰ্বে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষ তথা সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্য্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত বি জে পিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, বিত্ত মন্ত্ৰী অজন্তা নেওগ, মন্ত্ৰী অতুল বৰাকে ধৰি স্থানীয় বিধায়কসকল উপস্থিত থাকে। ড০ শৰ্মাই নুমলীগড়ৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি উদ্বোধন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লয়। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক সন্মান জনাই নুমলীগড় আৰু মণিপুৰৰ মোৰে সংযোগী ৩৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নুমলীগড় শোধনাগাৰক সংযোগ কৰা ২ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা প্ৰধানমন্ত্ৰী নিম আলিবাট হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ছশ নিম পুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত আৰম্ভ কৰা এই পদক্ষেপৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী ড০ শৰ্মাই এটা নিম পুলি ৰোপণ কৰে।

উল্লেখযোগ্য যে নুমলীগড় শোধানাগাৰৰ ৫০ শতাংশ অংশীদাৰিত্বৰে নিৰ্মাণ কৰা এই প্ৰকল্পটো উদ্বোধনৰ বাবে সাজু হৈ উঠিছে। এই প্ৰকল্পটোৰ পৰা প্ৰতি বছৰে ৫০ হাজাৰ টন ইথানল, ১৮ হাজাৰ টন ফাৰ্ফিউৰেল আৰু ১১ হাজাৰ টন এচিটিক এছিড উৎপাদন কৰা হ'ব। অৱশিষ্ট লীগনিনৰ পৰা ২৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব বুলি জৈৱ ইথানল প্ৰকল্পৰ পৰিচালন সঞ্চালকে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে দৰং জিলাত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৩ ছেপ্তেম্বৰত মিজোৰামৰ ৰাজধানী আইজলৰ নিকটৱৰ্তী চাইৰাঙৰ পৰা নতুন দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। চাইৰাং আৰু দিল্লীৰ আনন্দ বিহাৰ ষ্টেচনৰ মাজত সপ্তাহত এদিনকৈ চলিবলগীয়া ২০৫০৭ আৰু ২০৫০৮ নম্বৰৰ এই ৰাজধানী এক্সপ্ৰেছখনে চাইৰাঙৰ পৰা আনন্দ বিহাৰলৈ দুহেজাৰ ৫১০ কিলোমিটাৰ দূৰত্ব ৪৩ ঘণ্টা ২৫ মিনিটত সম্পূৰ্ণ কৰিব। নিয়মীয়া যাত্ৰাত এই ৰে'লগাড়ীখন প্ৰতি শুকুৰবাৰে বিয়লি ৪ বাজি ৩০ মিনিটত চাইৰাঙৰ পৰা যাত্ৰা কৰি দেওবাৰে দিনৰ ১০ বাজি ৫০ মিনিটত আনন্দ বিহাৰ পাবগৈ আৰু ওভতনি যাত্ৰা দেওবাৰে সন্ধিয়া ৭ বাজি ৫০ মিনিটত যাত্ৰা কৰি মঙলবাৰে বিয়লি ৩ বাজি ১৫ মিনিটত চাইৰাং পাবহি। গুৱাহাটী আৰু চাইৰাঙৰ মাজত প্ৰৱৰ্তন কৰা ১৫৬০৯ আৰু ১৫৬১০ নম্বৰৰ দৈনিক ৰে'লগাড়ীখনে সন্ধিয়া ৭ বজাত গুৱাহাটীৰ পৰা যাত্ৰা কৰি পিচদিনা পুৱা চাৰে ৮ বজাত চাইৰাং পাবগৈ। একেদৰে, চাইৰাঙৰ পৰাও সন্ধিয়া ৭ বজাত যাত্ৰা কৰি পিচদিনা পুৱা চাৰে ৮ বজাত গুৱাহাটী পাবহি। আনহাতে, ১৩১২৫ আৰু ১৩১২৬ নম্বৰৰ ত্ৰিসাপ্তাহিক ৰে'লগাড়ীখনে চাইৰাং আৰু ক'লকাতাৰ মাজৰ এহেজাৰ ৫১২ কিলোমিটাৰ দূৰত্ব ৩১ ঘণ্টাত সম্পূৰ্ণ কৰিব বুলি উত্তৰ পূব সীমান্ত ৰে'লৱেৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০০

বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত আত্মহননৰ বিৰুদ্ধে সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। সমাজৰ পৰা আত্মহত্যাৰ প্ৰৱণতা দূৰ কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ১০ ছেপ্তেম্বৰৰ দিনটোত এনে কাৰ্যসূচী লোৱা হয়। নিজক হত্যা কৰিবলৈ ইচ্ছা কৰা, আত্মহননৰ প্ৰস্তুতি বা পৰিকল্পনাৰ বিষয়ে আলোচনা অত্যধিক অপৰাধবোধ, সামাজিক মাধ্যমযোগে আত্মহননৰ ইচ্ছা প্ৰকাশ কৰা বা অহৰহ নিৰাশাবাদী মতামত প্ৰকাশ কৰা, আগতে উপভোগ কৰা কাম-কাজৰ প্ৰতি তীব্ৰ অনিহা আদি আত্মহত্যাৰ প্ৰৱণতাৰ লক্ষণ হ'ব পাৰে।

ৰাজ্যৰ কেইবাখনো জিলাত আজি আত্মহত্যা প্ৰতিৰোধী সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। **পশ্চিম কাৰ্বি আংলঙৰ** হামৰেন মহকুমা অসামৰিক চিকিৎসালয়ত আজি এনেধৰণৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত মানসিক স্বাস্থ্য কাৰ্যসূচীৰ জিলা নডেল বিষয়া ডাঃ ডাইনিং ৰংমেইয়ে মানসিক স্বাস্থ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে মানসিক সমস্যাৰ বিষয়ে মুকলিকৈ আলোচনা কৰিবলৈ সকলোকে উৎসাহিত কৰে।

**শিৱসাগৰ** জিলাত মানসিক স্বাস্থ্য কাৰ্যসূচীৰ উদ্যোগত আজি বিশ্ব আত্মহত্যা প্ৰতিৰোধী দিৱস পালন কৰা হয়। জিলা মানসিক স্বাস্থ্য কাৰ্যসূচীৰ বিষয়ে ডাঃ ৰাজীৱ পাংগিঙৰ অধ্যক্ষতাত এই উপলক্ষে আয়োজিত সজাগতা সভাত হীনমন্যতা আৰু আত্মহত্যাৰ প্ৰৱণতাৰ পৰা কেনেদৰে হাত সাৰিব পাৰি, সেই বিষয়ে পৰামৰ্শ দিয়া হয়। তদুপৰি ৰাজ্য চৰকাৰৰ 'টেলি মানস' কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰি মানসিক ৰোগ সম্পৰ্কীয় পৰামৰ্শৰ বাবে ১৪৪১৬ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হয়।

**শ্ৰীভূমি** জিলাতো আজি এই দিৱস পালন কৰা হয়। কৰিমগঞ্জ অসামৰিক চিকিৎসালয় চৌহদৰ পৰা সমাৰেশেৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ হয়। জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ সুমনা নাইডিঙে এই সমাৰেশৰ শুভাৰম্ভ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা মানসিক স্বাস্থ্য কাৰ্যসূচীৰ বিশেষজ্ঞসকলে উদ্বেগ, মানসিক চাপ আৰু হতাশাৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰি সামাজিক সচেতনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

**ওদালগুৰি** জিলাতো আজি এই দিৱস উপলক্ষে সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত জিলা মানসিক স্বাস্থ্য কাৰ্যসূচীৰ নডেল বিষয়া ডাঃ জে কে নাথে আত্মহত্যাৰ প্ৰৱণতা দূৰ কৰাৰ বাবে বিভিন্ন পৰামৰ্শ প্ৰদান কৰে।

০০০০০০০

শিলচৰত ৩০৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰথম পৰ্যায়ৰ এলিভেটেড কৰিড'ৰ নিৰ্মাণৰ বাবে ৩৯৯ কোটি ৩০ লাখ টকাৰ নিবিদা জাৰি কৰা হৈছে। শিলচৰ চহৰৰ ট্ৰাংক ৰোডৰ পৰা ৰাঙিৰখাৰি পইণ্টলৈ এই কৰিড'ৰ নিৰ্মাণ কৰা হ'ব। নিবিদা দাখিলৰ অন্তিম দিন ৭ অক্টোবৰ ধাৰ্য কৰা হৈছে। বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে এই বিষয়ে প্ৰকাশ কৰি কয়, যে এই পদক্ষেপৰ ফলত শিলচৰৰ যানজঁট বহু পৰিমাণে হ্ৰাস পাব আৰু যাতায়াত ব্যৱস্থা সূচল হ'ব। নগৰীয়া আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে শিলচৰক আধুনিক চহৰলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত এই পদক্ষেপ গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হৈছে।

০০০০০০০

শাৰদীয় দুৰ্গা পূজাৰ প্ৰাকক্ষণত অৰ্থাৎ অহা ২২-২৩ ছেপ্তেম্বৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নুমলীগড়ত এই কথা ঘোষণা কৰে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক সোণালী ঘোষেও কিছুদিন পূৰ্বে এই বিষয়ে প্ৰকাশ কৰিছিল। সঞ্চালকগৰাকীয়ে উদ্যানখনৰ ভিতৰৰ বাট-পথৰ মেৰামতিৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে আৰু শীঘ্ৰেই পৰ্যটকৰ বাবে মুকলি কৰা হ'ব বুলি উল্লেখ কৰিছিল।

০০০০০০০

**সমাপ্ত**